# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 22-05-2024
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*

- - - - - - - - - - - - - - - -

১। দেশত লোকসভা নিৰ্বাচনৰ পৰৱৰ্তী দুটা পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান তুংগত। ষষ্ঠ পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ কাইলৈ সামৰণি।

২। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা আৰু কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেক দল দুটাৰ তাৰকা প্ৰচাৰকসকলক নিৰ্বাচনী আৰ্হি আচৰণ বিধি উলংঘা হ'বলগীয়া মন্তব্য কৰাৰ পৰা বিৰত থকাৰ সকীয়নি দিয়াৰ বাবে দেশৰ নিৰ্বাচন আয়োগৰ নিৰ্দেশ জাৰি।

৩। অহা ৪ জুনত দেশৰ অন্যান্য ৰাজ্যৰ লগতে অসমৰ ১৪টা সমষ্টিৰ বাবে হ'বলগীয়া লোকসভা নিৰ্বাচনৰ ভোটগণনাৰ বাবে জিলা প্ৰশাসনসমূহৰ প্ৰস্তুতি আৰম্ভ।

৪। প্ৰচণ্ড গৰমৰ বাবে যোৰহাট আৰু লখিমপুৰ জিলাৰ বিদ্যালয়সমূহৰ পাঠদানৰ সময়সূচী সলনি।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজি হ'বলগীয়া এলিমিনেটৰ খেলত ৰাজস্থান ৰয়েলছ, ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ মুখামুখি।

ooooo

দেশত লোকসভা নিৰ্বাচনৰ পৰৱৰ্তী দুটা পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান তুংগত উঠিছে। ষষ্ঠ পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযানৰ কাইলৈ সামৰণি পৰিব। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি উত্তৰ প্ৰদেশত আৰু গৃহমন্ত্ৰী অমিত শ্বাহে পশ্চিমবংগত প্ৰচাৰ চলায়। প্ৰধানমন্ত্ৰীয়ে উত্তৰ প্ৰদেশৰ বস্তিত এখন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰি শ্ৰাৱস্তিত আন এখন ৰাজহুৱা সভাত অংশ লয়। বস্তিত আয়োজিত সভাত দিয়া ভাষণত প্ৰধানমন্ত্ৰীয়ে কয় যে এন ডি এ চৰকাৰে দেশখনক অৰ্থনৈতিক উন্নয়নৰ শিখৰলৈ লৈ যাবলৈ সমৰ্থ হৈছে। তেওঁ কংগ্ৰেছ আৰু সমাজবাদী পাৰ্টীক পাকিস্তানৰ প্ৰতি সহানুভূতিশীল বুলি সমালোচনা কৰে। তেওঁ লগতে লোকসভা নিৰ্বাচনৰ প্ৰথম ৫টা পৰ্যায়ৰ ভোটদানে এন ডি এ চৰকাৰক পুনৰ ক্ষমতালৈ অনাৰ পথ প্ৰশস্ত কৰিব বুলি দৃঢ়তাৰে প্ৰকাশ কৰে। শ্ৰী মোদীয়ে পশ্চিম দিল্লীৰ দ্বাৰকাত নিৰ্বাচনী সমাৱেশত অংশ লয়। দলৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই আজি পশ্চিমবংগত প্ৰচাৰ চলায়। আজি দিনৰ ভাগত শ্ৰী নাড্ডাই উত্তৰ ছবিবশ পৰগনাৰ পৰা নিৰ্বাচনী প্ৰচাৰৰ শুভাৰম্ভ কৰে। ইয়াৰ পাছত তেওঁ হাওৰা জিলাৰ চিমুলপুৰত আয়োজিত জনসভাত ভাষণ দিয়ে। তেওঁ কলকাতা উত্তৰত আন এখন জনসভাত অংশ লোৱাৰ লগতে বিয়লি হুগলীত এখন প্ৰচাৰ সভাত অংশ লয়। দলৰ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও আজি পশ্চিমবংগত প্ৰচাৰ চলায়। তেওঁ কান্থি লোকসভা সমষ্টিৰ ইটাবেৰিয়াত প্ৰচাৰ চলোৱাৰ লগতে ঘাটাল, দেৱৰা আৰু পুৰুলিয়াত প্ৰচাৰ সভাত ভাষণ দিয়ে। দলৰ নেতা তথা অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি ঝাৰখণ্ডত প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰে। জনসাধাৰণক উদ্দেশ্যি দিয়া ভাষণত মুখ্যমন্ত্ৰীগৰাকীয়ে বিজেপিক প্ৰদান কৰা প্ৰতিটো ভোটেই সু-প্ৰশাসনৰ প্ৰতিশ্ৰুতি দিয়ে বুলি উল্লেখ কৰে। তেওঁ কয় যে কংগ্ৰেছ

নেতৃত্বাধীন বিৰোধীয়ে দুৰ্নীতিৰ বাহিৰে কোনো নতুনত্ব আনিবলৈ সমৰ্থ নহয়। কংগ্ৰেছ দলৰ নেত্ৰী প্ৰিয়ংকা গান্ধী ভাড্ৰাই আজি ঝাৰখণ্ডৰ গোদ্দাত নিৰ্বাচনী সমাবেশত অংশ লয়। নিজৰ ভাষণত নেত্ৰীগৰাকীয়ে ঝাৰখণ্ডৰ জনসাধাৰণে আই এন ডি মিত্ৰজোঁটক জয়ী কৰোৱাৰ বাবে সংকল্প লৈছে বুলি মন্তব্য কৰে। নেত্ৰীগৰাকীয়ে সপ্তম পৰ্যায়ত নিৰ্বাচন হ'বলগীয়া বাৰাণসীৰ দলীয় প্ৰাৰ্থীৰ বাবে ২৫ মে'ত এটা ৰোড শ্ব'ত অংশ ল'ব। শ্ৰীমতী গান্ধীয়ে বাৰাণসীত ইয়াৰ পূৰ্বেও প্ৰচাৰ চলাইছে। দলৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে আৰু নেতা ৰাহুল গান্ধীয়েও আজি নিজ দলৰ প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ চলাইছে।

ooooo

সপ্তম পৰ্যায়ত অহা ১ জুনত দেশৰ ৮খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৫৭টা সংসদীয় সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। এই পৰ্যায়ত মুঠ ৯০৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। নিৰ্বাচন আয়োগে প্ৰকাশ কৰা মতে এই পৰ্যায়ৰ বাবে দুহেজাৰ ১০৫ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছিল। পঞ্জাৱত সৰ্বাধিক ৫৯৮ খন মনোনয়ন ১৩ টা সমষ্টিৰ বাবে দাখিল কৰা হৈছিল। আনহাতে, উত্তৰ প্ৰদেশত ১৩ টা সমষ্টিৰ বাবে ৪৯৫ খন মনোনয়ন দাখিল হৈছিল। সপ্তম তথা অন্তিম পৰ্যায়ত উত্তৰ প্ৰদেশ আৰু পঞ্জাৱৰ ১৩ খনকৈ আসনৰ লগতে পশ্চিমবংগৰ ৯খন, বিহাৰৰ ৮, ওড়িশাৰ ৬, হিমাচল প্ৰদেশৰ ৪, ঝাৰখণ্ডৰ ৩ আৰু কেন্দ্ৰীয় শাসিত অঞ্চল চণ্ডীগড়ৰ এখন আসনৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। অহা ৪ জুনত ভোটগণনা অনুষ্ঠিত হ'ব।

ooooo

দেশৰ নিৰ্বাচন আয়োগে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা আৰু কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেক দল দুটাৰ তাৰকা প্ৰচাৰকসকলক নিৰ্বাচনী আৰ্হি আচৰণ বিধি উলংঘা হ'বলগীয়া মন্তব্য কৰাৰ পৰা বিৰত থকাৰ সকীয়নি দিবলৈ নিৰ্দেশ জাৰি কৰিছে। দুয়োগৰাকী নেতালৈ প্ৰেৰণ কৰা পত্ৰত আয়োগে কয় যে কোনো দল নাইবা প্ৰাৰ্থীয়ে সাম্প্ৰদায়িক বিবাদ সৃষ্টিকাৰী নাইবা অপ্ৰীতিকৰ পৰিস্থিতি সৃষ্টি কৰাৰ আশংকা থকা মন্তব্য কৰিব নোৱাৰিব। আয়োগে শ্ৰী নাড্ডাক তেওঁৰ দলৰ তাৰকা প্ৰচাৰকসকলক সমাজত ভাঙোন সৃষ্টিকাৰী বক্তব্য প্ৰদানৰ পৰা বিৰত থাকিবলৈ সকিয়াই দিয়াৰ বাবে নিৰ্দেশ দিছে। তদুপৰি শাসনাধিষ্ঠিত বিজেপিক নিৰ্বাচনী প্ৰচাৰৰ নীতি-নিয়ম অনুসৰণ কৰি প্ৰচাৰ চলোৱাৰ লগতে ভাৰতবৰ্ষৰ সংপৃক্ত আৰু স্পৰ্শকাতৰ জনগাঁথনিৰ দিশলৈ লক্ষ্য ৰাখিবলৈও নিৰ্দেশ দিয়ে। একেদৰে আয়োগে কংগ্ৰেছ দলৰ তাৰকা প্ৰচাৰকসকলক ভাৰতৰ সংবিধান সন্দৰ্ভত আপত্তিজনক মন্তব্য নকৰিবলৈ নিৰ্দেশ দিয়ে। নিৰ্বাচনৰ গোটেই সময়ছোৱাত প্ৰাৰ্থী তথা দলীয় নেতাসকলক নীতি-নিৰ্দেশনা অনুসৰণ কৰি চলিবলৈও আয়োগে নিৰ্দেশ দিছে।

ooooo

অহা ৪ জুনত দেশৰ অন্যান্য ৰাজ্যৰ লগতে অসমৰ ১৪টা সমষ্টিৰ বাবে হ'বলগীয়া লোকসভা নিৰ্বাচনৰ ভোটগণনাৰ বাবে জিলা প্ৰশাসনসমূহে প্ৰস্তুতি আৰম্ভ কৰিছে। বিভিন্ন জিলাত ভোটগণনা কাৰ্যৰ বাবে প্ৰশাসনে প্ৰস্তুতিৰ বুজ ল'বলৈ বৈঠকত মিলিত হৈছে। দক্ষিণ শালমাৰা, মানকাচৰ জিলাৰ হাটশিঙিমাৰীত ভোটগণনাকাৰী বিষয়াসকলৰ পৰা প্ৰথম পৰ্যায়ৰ প্ৰশিক্ষণ আজি অনুষ্ঠিত হয়। ১৪ খন ভোটগণনা মেজৰ জৰিয়তে হাটশিঙিমাৰীৰ ৩৪৭ টা ভোটগ্ৰহণ কেন্দ্ৰত অনুষ্ঠিত ভোটগ্ৰহণৰ ই ভি এমৰ ভোটসমূহ গণনা কৰা হ'ব। মৰিগাঁও জিলা প্ৰশাসনেও অলপতে ভোটগণনাৰ প্ৰস্তুতি সন্দৰ্ভত এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। এই বৈঠকত ভোটগণনা কাৰ্য নিয়াৰিকৈ চলাই নিয়াৰ বাবে ল'বলগীয়া পদক্ষেপসমূহৰ সন্দৰ্ভত আলোচনা কৰা হয়।

ইফালে, ৰাজ্যিক নিৰ্বাচন আয়োগেও ৪ জুনৰ ভোটগণনাৰ বাবে নিৰাপত্তা ব্যৱস্থাকে ধৰি সকলো প্ৰস্তুতি গ্ৰহণ কৰাৰ বাবে সংশ্লিষ্টসকলক নিৰ্দেশ দিছে। আনহাতে ৰাজ্যখনৰ ১৪টা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰা ১৪৩ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য বন্দী হৈ থকা ইভিএমসমূহ ৫০টা ষ্ট্ৰং ৰুমত কটকটীয়া নিৰাপত্তাৰ মাজত ৰখা হৈছে। ষ্ট্ৰং ৰুমসমূহত ৩ তৰপীয়া নিৰাপত্তা ব্যৱস্থা কৰাৰ লগতে ইয়াৰ প্ৰৱেশ আৰু প্ৰস্থান দ্বাৰ চিচি কেমেৰাৰ দ্বাৰা অহৰহ নিৰীক্ষণত ৰখা হৈছে। উল্লেখযোগ্য যে, তৃতীয় পৰ্যায়ৰ নিৰ্বাচনত গুৱাহাটী, বৰপেটা, ধুবুৰী আৰু কোকৰাঝাৰ সমষ্টিত ছগৰাকী মহিলা

প্ৰাৰ্থীকে ধৰি মুঠ ৪৭ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল। উল্লেখযোগ্য যে প্ৰথম পৰ্যায়ত ৰাজ্যখনৰ ৫টা সমষ্টি কাজিৰঙা, শোণিতপুৰ, লখিমপুৰ, ডিব্ৰুগড় আৰু যোৰহাট সমষ্টিত মুঠ ৩৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল। আনহাতে দ্বিতীয় পৰ্যায়ত ৫টা সমষ্টি দৰং-ওদালগুৰি, ডিফু, কৰিমগঞ্জ, শিলচৰ আৰু নগাঁৱত ৬১ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে।

উল্লেখযোগ্য যে ৰাজ্যখনৰ ১৪টা সমষ্টিৰ বাবে হবলগীয়া তিনিটা পৰ্যায়ত ভোটগ্ৰহণৰ কোনো এটা পৰ্যায়তে কোনো কাৰণত পুনৰ ভোটগ্ৰহণ কৰিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হোৱা নাই। এইবাৰৰ ভোটগ্ৰহণ সম্পূৰ্ণ নিয়াৰিকৈ সম্পন্ন হৈছে বুলি নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে।

০০০০০

আকাশবাণী গুৱাহাটী আঞ্চলিক বাতৰি বিভাগে অহা ৪ জুনত লোকসভা নিৰ্বাচনৰ ভোটগণনাৰ দিনা **জনাদেশ-২০২৪** শীৰ্ষক দিনজোৰা অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত কেইবাগৰাকীও বিশ্লেষক আৰু সমল ব্যক্তিৰ উপস্থিতত ভোটগণনাৰ শেহতীয়া তথ্য সম্পৰ্কে আলোচনা কৰাৰ লগতে দেশ আৰু ৰাজ্যৰ বিভিন্ন সমষ্টিৰ পৰা আকাশবাণীৰ সংবাদদাতাৰ সৈতে সংযোগ স্থাপন কৰি পোনপটীয়াকৈ ভোটগণনাৰ শেহতীয়া তথ্য প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানটো পুৱা ৯ বাজি ১৫ মিনিটৰ পৰা অব্যাহত থাকিব। এই অনুষ্ঠানটো NEWONAIR এপ, আমাৰ ইউটিউব চেনেল AIRNEWSGUWAHATI আৰু এক্স হেণ্ডেল @AIRNEWS_GHY যোগে পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব।

০০০০০

গোলাঘাট জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আজি জাপানীজ এনকেফেলাইটিছ প্ৰতিৰোধ সন্দৰ্ভত জনসচেতনতা সৃষ্টিৰ আলোচনাৰ বাবে এখন সভা অনুষ্ঠিত হয়। সভাত জিলা প্ৰশাসন, তথ্য আৰু জনসংযোগ, জলসিঞ্চন, নগৰ উন্নয়ন, কৃষি, মীন বিভাগ আদিৰ দ্বাৰা গ্ৰহণ কৰিবলগীয়া প্ৰতিৰোধমূলক ব্যৱস্থা সন্দৰ্ভত বিস্তৃত আলোচনা কৰা হয়। এই সন্দৰ্ভত পশুপালন বিভাগৰ দ্বাৰা গাহৰি পালকসকলৰ মাজত জাপানীজ এনকেফেলাইটিছ সন্দৰ্ভত সজাগতা সৃষ্টি কৰা, বৈজ্ঞানীকভাৱে গাহৰি পালন কৰা, গাহৰিৰ অস্বাভাৱিক জ্বৰ তথা অন্যান্য লক্ষণসমূহ দেখা দিলে বিভাগীয় কৰ্তৃপক্ষক জনাবলৈ আহ্বান জনোৱা হয়। সভাত বন সংৰক্ষণ আৰু শিক্ষা বিভাগক ছাত্ৰী-ছাত্ৰীসকলৰ মাজত এই ৰোগ সন্দৰ্ভত সজাগতা সৃষ্টিৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়া হয়। জিলা আয়ুক্ত ডা০ পি উদয় প্ৰবীন আৰু অতিৰিক্ত জিলা আয়ুক্ত নন্দিতা বৰুৱাকে ধৰি বিভাগীয় বিষয়াসকল উপস্থিত থকা সভাত নগৰ সমিতিসমূহক প্ৰদূষিত পানীৰ নিষ্কাষণ আৰু বিশুদ্ধ খোৱাপানী যোগানৰ ব্যৱস্থা কৰিবলৈ নিৰ্দেশ দিয়া হয়।

০০০০০

প্ৰচণ্ড গৰমৰ বাবে যোৰহাট জিলাৰ বিদ্যালয়সমূহৰ পাঠদানৰ সময়সূচী সলনি কৰা হৈছে। অহা ১ জুনৰ পুৱা ৮ বজাৰ পৰা প্ৰতিখন বিদ্যালয়ৰ পাঠদান আৰম্ভ কৰা হ'ব। আনহাতে, প্ৰাথমিক পৰ্যায়ত চাৰে ১২ বজালৈ, মধ্য প্ৰাথমিকত ১ বজালৈ, উচ্চ আৰু উচ্চ মাধ্যমিক পৰ্যায়ত দেৰ বজালৈ পাঠদান চলিব।

লখিমপুৰ জিলা প্ৰশাসনেও গ্ৰীষ্ম প্ৰৱাহৰ প্ৰতি লক্ষ্য ৰাখি জিলাখনত বিদ্যালয়সমূহৰ পাঠদানৰ সময় সাল-সলনি কৰিছে। জিলা আয়ুক্তই জাৰি কৰা নিৰ্দেশনামৰ্মে কাইলৈৰ পৰা নতুন সময় কাৰ্যকৰী হ'ব। এই অনুসৰি বিদ্যালয়সমূহৰ নিম্ন প্ৰাথমিক শ্ৰেণীসমূহৰ পাঠদান পুৱা চাৰে ৭ বজাৰ পৰা দিনৰ ১২ বজালৈ, মধ্য আৰু উচ্চ প্ৰাথমিক শ্ৰেণীসমূহত পুৱা চাৰে ৭ বজাৰ পৰা দিনৰ চাৰে ১২ বজালৈ তথা মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক শ্ৰেণীসমূহত পুৱা চাৰে ৭ বজাৰ পৰা দিনৰ ১ বজালৈ পাঠদান কৰা হ'ব।

০০০০০

গোলাঘাট জিলাৰ বোকাখাতৰ কৃষকসকলে চলিত বছৰত ৫ কোটি ২৪ লাখ টকাৰ ৰঙালাও বহিঃৰাজ্যৰ বজাৰলৈ প্ৰেৰণ কৰিছে। বিগত বছৰত বোকাখাতৰ কৃষকসকলে ২ কোটি টকা মূল্যৰ ৰঙালাও প্ৰেৰণ কৰিবলৈ সমৰ্থ হৈছিল। কৃষিমন্ত্ৰী অতুল বৰাৰ তত্বাৱধানত ৰাজ্যৰ কৃষি বিভাগে এই কৃষকসকলৰ দ্বাৰা উৎপাদন কৰা ৰঙালাও বহিঃৰাজ্যলৈ প্ৰেৰণ কাৰ্যৰ শুভাৰম্ভ কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কৃষকসকলক এই সফলতাৰ বাবে অভিনন্দন জ্ঞাপন কৰে। তেওঁ কয় যে অসমত স্ব-নিৰ্ভৰশীলতাৰ বাবে বিভিন্ন ইতিবাচক কৰ্মক্ষেত্ৰ আছে। কৰ্মস্পৃহা আৰু উদ্যমেৰে আগবাঢ়িলে এইক্ষেত্ৰসমূহৰ পৰা অসমে আৰ্থিকভাৱে লাভান্বিত হ'ব পাৰে বুলিও তেওঁ মন্তব্য কৰে।

ooooo

কেন্দ্ৰীয় বন্দৰ জাহাজ আৰু জলপথ তথা আয়ুষ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি প্ৰয়াত প্ৰাক্তন মন্ত্ৰী থানেশ্বৰ বড়োৰ ৰঙিয়াৰ গৰকাৰ বাসভৱনত উপস্থিত হয়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰয়াত বড়োৰ ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে শোক-সন্তপ্ত পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰে। পাছত সংবাদমাধ্যমৰ সৈতে মত বিনিময়ত শ্ৰীসোণোৱালে কয় যে, শিক্ষা আৰু ৰাজহ মন্ত্ৰী হিচাপে প্ৰয়াত বড়োৱে সততাৰে যি কাম কৰি গ'ল সেয়া আজিৰ ৰাজনীতিকৰ বাবে অনুকৰণীয়। তেওঁৰ কৰ্মৰাজী জনসাধাৰণৰ মনত সদায় সজীৱ হৈ থাকিব বুলিও কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়।

ooooo

শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ত অনুষ্ঠিত কেঁচুসাৰ আৰু গোটা আৱৰ্জনা ব্যৱস্থাপনা সম্পৰ্কীয় কৰ্মশালাৰ আজি সামৰণি পৰিছে। মহাবিদ্যালয়খনৰ পৰিৱেশ কোষৰ উদ্যোগত আয়োজিত এই দুদিনীয়া কৰ্মশালাত পৰিৱেশ তন্ত্ৰৰ সংৰক্ষণ আৰু বহনক্ষম উন্নয়ন, প্লাষ্টিকৰ সীমিত ব্যৱহাৰ, কেঁচুসাৰ প্ৰস্তুতকৰণ, গোটা আৱৰ্জনা ব্যৱস্থাপনা আদি বিষয়ত আলোচনা কৰা হয়। জিলা উন্নয়ন আয়ুক্ত মীনাক্ষি পামেঁই আনুষ্ঠানিকভাৱে উদ্বোধন কৰা কৰ্মশালাখনত কেইবাগৰাকীও সমল ব্যক্তিয়ে অংশগ্ৰহণ কৰে। তদুপৰি গোলকীয় উষ্ণতা বৃদ্ধিৰ লগতে পৰিৱেশ সম্পৰ্কীয় সমস্যা সমাধানৰ বাবে কিদৰে আগবাঢ়িব পাৰি, সেইবিষয়েও আলোচনা কৰা হয়।

ooooo

খাদ্য সুৰক্ষা বিভাগে আজি গুৱাহাটী মহানগৰীৰ ফাঁচী বজাৰত কাৰ্বাইডযুক্ত ফলৰ বিৰুদ্ধে অভিযান চলায়। জ্যেষ্ঠ খাদ্য সুৰক্ষা বিষয়াৰ নেতৃত্বত এটা দলে কৃত্ৰিমভাৱে পকোৱা আম বিচাৰি ফাঁচী বজাৰৰ প্ৰায় প্ৰতিখন ফলৰ দোকানত অভিযান চলায়। এই অভিযানত কাৰ্বাইড ব্যৱহাৰ কৰা প্ৰায় এক কুইণ্টল আম দলটোৱে নষ্ট কৰে। তদুপৰি দলটোৱে বিক্ৰী কৰা আমৰ নমুনা সংগ্ৰহ কৰি কাৰ্বাইডৰ উপস্থিতি পৰীক্ষাৰ বাবে পৰীক্ষাগাৰলৈ প্ৰেৰণ কৰিছে। এই সন্দৰ্ভত ৰাজ্যিক নডেল বিষয়া অনিল শৰ্মাই জনাই যে কাৰ্বাইডৰ পৰীক্ষাৰ ফলাফলৰ ওপৰত ভিত্তি কৰি পৰৱৰ্তী পৰ্যায়ত আইনগত ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

ooooo

আন্তঃৰাষ্ট্ৰীয় জৈৱ বৈচিত্ৰ দিৱস উপলক্ষে আজি যোৰহাটৰ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানে যোৰহাট জিলাৰ টীয়ক উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ত দিনজোৰা কাৰ্যসূচীৰ আয়োজন কৰে। এই কাৰ্যসূচীত স্থানীয় ছাত্ৰ-ছাত্ৰীৰ মাজত কুইজ আৰু চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ লগতে এখন সভা অনুষ্ঠিত কৰা হয়। সভাত প্ৰতিষ্ঠানখনৰ জ্যেষ্ঠ বিজ্ঞানীসকলে জৈৱ বৈচিত্ৰ্য সংৰক্ষণ সন্দৰ্ভত সজাগতা সৃষ্টিমূলক ব্যক্তব্য আগবঢ়ায়। আনহাতে যোৰহাট পৰিৱেশ মঞ্চয়েও আন্তঃৰাষ্ট্ৰীয় জৈৱ বৈচিত্ৰ্য দিৱস পালন কৰে।

ইফালে এই দিৱসৰ লগত সংগতি ৰাখি গুৱাহাটী মহানগৰীৰ এখন ব্যক্তিগত শিক্ষানুষ্ঠানৰ উদ্যোগত আজি ব্যতিক্ৰমী কাৰ্যসূচী অনুষ্ঠিত হয়। মহানগৰীৰ দীপৰ বিলত অনুষ্ঠিত এই কাৰ্যসূচীত মুকাভিনয়ৰে জৈৱ

বৈচিত্ৰ্যৰ প্ৰয়োজনীয়তা সম্পৰ্কে উপস্থাপন কৰা হয়। অনুষ্ঠানত খণ্ড বন বিষয়া ধনেশ্বৰ দলৈ, সমাজকৰ্মী প্ৰমোদ কলিতাৰ লগতে শিক্ষানুষ্ঠানখনৰ সৈতে জড়িত ব্যক্তিসকল উপস্থিত থাকে।

ooooo

অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সৌজন্যত আৰু নগাঁও জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ উদ্যোগত আজি জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। জিলাখনৰ বিভিন্ন বিভাগৰ মুৰববী বিষয়া আৰু  চক্ৰ বিষয়াসকল উপস্থিত থকা এই বৈঠকত বাৰিষাকালত হ'ব পৰা সাম্ভাব্য বান পৰিস্থিতি সম্পৰ্কত আলোচনা কৰা হয়। সভাখনত দৃশ্য শ্ৰাব্য মাধ্যমৰ জৰিয়তে জিলাখনৰ দুৰ্যোগ প্ৰশমনৰ বাবে প্ৰস্তুত কৰা পৰিকল্পনাসমূহ উপস্থাপন কৰা হয়। সভাত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ যুটীয়া সচিব সত্যজিৎ চেতিয়াই জিলাখনত গ্ৰহণ কৰা বান কৰ্ম পৰিকল্পনা সম্পৰ্কত বুজ লয় আৰু আদৰ্শ সাহায্য শিবিৰবোৰত সকলো ব্যৱস্থা সুপৰিকল্পিতভাৱে গঢ়ি তোলা আৰু সাজু ৰখাৰ বাবে পৰামৰ্শ আগবঢ়ায়। তেওঁ চক্ৰ বিষয়াসকলক বানপানী হোৱা স্থানসমূহ আগতীয়াকৈ পৰিদৰ্শন কৰি বান পৰিস্থিতিৰ লগত জড়িত কৰ্মবাহিনীৰ সভাসমূহ অনুষ্ঠিত কৰিবলৈ নিৰ্দেশ দিয়ে। তদুপৰি জলসম্পদ আৰু লোকনিৰ্মাণ-পথ বিভাগৰ পৰা ৰাস্তাঘাট, মথাউৰি আদিৰ স্থিতি সম্পৰ্কত বুজ লয়। তদুপৰি বানপানীৰ সময়ত প্ৰয়োজনীয় অত্যাৱশ্যকীয় সামগ্ৰী, খাদ্য, ঔষধ আদি মজুতকৰণ সম্পৰ্কীয় নিৰ্দিষ্ট বিভাগৰ পৰা বুজ লয়।

ooooo

ভাৰতীয় জনতা পাৰ্টীয়ে আম আদমী পাৰ্টী আৰু দিল্লীৰ জনসাধাৰণৰ বিৰুদ্ধে ষড়যন্ত্ৰত লিপ্ত হোৱা বুলি আম আদমী পাৰ্টীৰ নেতৃত্বই অভিযোগ উত্থাপন কৰিছে। আজি নতুন দিল্লীত আয়োজিত এখন সংবাদমেলত ভাষণ দি দলটোৰ জ্যেষ্ঠ নেত্ৰী আতিশীয়ে কয় যে দেশৰ ৰাজধানীত জল সংকট সৃষ্টি কৰাৰ উদ্দেশ্যে বিজেপিয়ে দিল্লীলৈ পানী বোৱাই অনাৰ পথ ৰোধ কৰিছে। হাৰিয়ানা চৰকাৰে যমুনা নৈৰ পানী দিল্লীলৈ বৈ অহাৰ পথ বন্ধ কৰাৰ বিষয়টোক অনুসন্ধানৰ জৰিয়তে প্ৰকাশ পোৱা বুলি নেত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ লগতে যমুনা নৈৰ জলস্তৰ সম্প্ৰতি সৰ্বনিম্ন পৰ্যায়লৈ হ্ৰাস পোৱা বুলিও ব্যক্ত কৰে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোডী ষ্টেডিয়ামত হ'বলগীয়া এলিমিনেটৰ খেলত ৰাজস্থান ৰয়েলছ ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। এই খেলখনত জয়লাভ কৰা দলটো শুকুৰবাৰে হ'বলগীয়া দ্বিতীয়খন কোৱালিফায়াৰ খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। প্ৰতিযোগতাৰ চূড়ান্ত খেলখন দেওবাৰে অনুষ্ঠিত হ'ব।

ইয়াৰ পূৰ্বে যোৱা নিশা অনুষ্ঠিত প্ৰথমখন কোৱালিফায়াৰত কলকাতা নাইট ৰাইডাৰ্ছে ছানৰাইজাৰ্ছ হায়দৰাবাদক ৮ উইকেটত পৰাস্ত কৰি প্ৰত্যয়পূৰ্ণ বিজয়েৰে ফাইনেলত স্থান নিশ্চিত কৰে।

ooooo

সমাপ্ত